**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা।
২। মুখ্যমন্ত্ৰীৰ দ্বিতীয় এডভাণ্টেজ আছামৰ প্ৰস্তুতিৰ পৰ্যালোচনা।
৩। ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা।
৪। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপকক আজি নিযুক্তিপত্ৰ প্ৰদান। ***আৰু***
৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সফল সামৰণী।

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনক লৈ আলোচনা কৰা হ'ব। কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জল ভট্টাচাৰ্য্যলৈ আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে। এই সন্দৰ্ভত ছাত্ৰ সন্থাৰ নেতৃত্বই কয় যে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে হোৱা আলোচনাত অসম চৰকাৰে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনত ৰাজ্য চৰকাৰৰ আওতাৰ ৪০ টা বিষয় ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্যকৰী কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ আওতাত পৰা ১২ টা বিষয়ৰ একে সময়তে কাৰ্যকৰী কৰা হ'ব বুলিও পূৰ্বৰ আলোচনাত কোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা ১৫ টা বিষয় কাৰ্যকৰীকৰণৰ ব্যৱস্থা লবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব। বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ আওতাত পৰা বিষয়সমূহ কাৰ্যকৰী কৰাৰ বাবে এখন কৰ্মসূচী প্ৰস্তুত কৰি ছাত্ৰ সন্থাক অৱগত কৰাৰ লগতে এই সন্দৰ্ভত সংগঠনটোৰ মত গ্ৰহণ কৰিব।

০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামলৈ বিনিয়োগকাৰীক আদৰাৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শীৰ্ষ সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত কালি মূল আয়োজক গোটৰ সৈতে এখন পৰ্যালোচনাৰ বৈঠকত মিলিত হয়। ড০ শৰ্মাই লগতে কালি সৰুসজাই ষ্টেডিয়ামত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয় আৰু এই ক্ষেত্ৰত যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

তেওঁ সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ঝুমইৰ নৃত্যক বিশ্বৰ প্ৰেক্ষাপটতলৈ লৈ যোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ এই প্ৰয়াসক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিয়ে অনন্য মাত্ৰ প্ৰদান কৰিব বুলি উল্লেখ কৰে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

এই শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত কালি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্যৰ উদ্যোগপতিসকলৰ লগতে ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগৰ উদ্যোগীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। শ্ৰী বৰাই ৰাজ্যত ব্যৱসায়ৰ নতুন সুযোগ সৃষ্টি তথা ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত সহায় হোৱাকৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত থলুৱা বিনিয়োগকাৰীসকলক সংযুক্ত হ'বলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হৈছে। এইবাৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৬৫৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৩৮ হাজাৰ ৭৯৫ গৰাকী ছাত্ৰী আছে। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিত বিষয়ৰ অ' এম আৰ ছিটৰ চাৰিটাকৈ ছেট থাকিব। অৰ্থাৎ প্ৰশ্নসমূহ একে হ'ব যদিও প্ৰশ্নৰ ক্ৰমিক নম্বৰ প্ৰতিটো ছেটতে বেলেগ বেলেগ হ'ব। শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগুৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰীক্ষাৰ সময়ছোৱাত ইণ্টাৰনেট ব্যৱস্থা বাহাল থকাৰ পৰিপ্ৰেক্ষিতত নিৰীক্ষক, ছুপাৰ ভাইজিং বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে ম'বাইল ফোনৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

০০০০০০

কোকৰাঝাৰৰ বিটিআৰ বিধান পৰিষদীয় ভৱনত পৰহিলৈ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। দিছপুৰৰ বাহিৰত প্ৰথমবাৰৰ বাবে হ'বলগীয়া বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ইয়াৰ বাবে বিটিআৰ বিধান পৰিষদীয় ভৱন আৰু সচিবালয়ৰ লগতে সমগ্ৰ কোকৰাঝাৰ নগৰখনক সজাই-পৰাই তোলা হৈছে। অধিৱেশনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কালি সংশ্লিষ্ট সকলো বিভাগৰ কাৰ্যবাহী সদস্য, সচিব আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বাজেট অধিৱেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবড়োয়ে কয়, যে বিটিআৰলৈ ইতিবাচক পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ ক্ষেত্ৰত এই বাজেট অধিৱেশন গুৰুত্বপূৰ্ণ সুযোগ হিচাপে বিবেচিত হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে ১৭ ফেব্ৰুৱাৰীত বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। ৰাজ্যপালগৰাকী আজি বন্দে ভাৰত ৰে'লগাড়ীৰে কোকৰাঝাৰত উপস্থিত হ'ব আৰু কাইলৈ তেওঁ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অভিৱৰ্তনত অংশগ্ৰহণ কৰিব। তদুপৰি শ্ৰীআচাৰ্যই কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, চি আই টিৰ এটা অনুষ্ঠানতো উপস্থিত থাকিব। এই অনুষ্ঠানত তেওঁ অঞ্চলটোৰ কৃষক, উদ্যোগী আৰু বিভিন্ন স্তৰৰ নাগৰিকৰ সৈতে মত বিনিময় কৰিব। ৰাজ্যপালগৰাকীয়ে কোকৰাঝাৰৰ চৰাইখোলাত থকা অতিথিশালাত দুটা নিশা কটাব। অধিৱেশনৰ দিনা ৰাজ্যপাল আচাৰ্যক বিধানসভাৰ অধ্যক্ষ

বিশ্বজিত দৈমাৰী, বিটিচিৰ বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো আৰু মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিধান পৰিষদীয় ভৱনলৈ আদৰি আনিব। বাজেট অধিৱেশনত অংশগ্ৰহণ কৰিবলৈ মন্ত্ৰী, বিধায়কসকল ১৭ ফেব্ৰুৱাৰীৰ পুৱাই গুৱাহাটীৰ পৰা ৪ খন চাৰ্টাৰ্ড বাছত কোকৰাঝাৰলৈ ৰাওনা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও সেইদিনাই কোকৰাঝাৰত উপস্থিত হ'ব। অধিৱেশনৰ কাম-কাজ দিনৰ ১১ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণৰ পাছতে বিশ্বজিত দৈমাৰীৰ অধ্যক্ষতাত মূল অধিৱেশন আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দিবলগীয়া ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই ভাষণ আকাশবাণীৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব। অধিৱেশনৰ বাবে পৰিষদীয় ভৱনত ১২৬ খন আসনৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰী, বিধায়কসহ অভ্যাগতসকলক পৰম্পৰাগত খাদ্য সম্ভাৰেৰে আপ্যায়ন কৰা হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰাৰ অংশ হিচাপে আজি উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি চাৰি বজাত হ'বলগীয়া এই কাৰ্যসূচীতে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৪ হাজাৰ ৫২৯ গৰাকী ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগু উপস্থিত থাকিব।

০০০০০০

আলফা স্বাধীন আৰু এন এছ চি এন (আংমাই) গোটৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰা দুজন যোগাযোগকাৰীক কালি সোণাৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। যোগাযোগকাৰী দুজন নগাঁও আৰক্ষী থানাৰ অন্তৰ্গত জুৰিয়া গাঁৱৰ মহৰম আলী আৰু চৰাইদেউ জিলাৰ সঞ্জু দাস বুলি চিনাক্ত কৰা হৈছে। সোণাৰি আৰক্ষীয়ে দুয়োজন যোগাযোগকাৰীক অসম-নাগালেণ্ডৰ সীমান্তৱৰ্তী নামতোলা-হাতীকেম্প এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰে। লোক দুজনে প্ৰতিষ্ঠিত ব্যৱসায়ী আৰু বিশিষ্ট লোকৰ মোবাইল নম্বৰ গোপনে সংগ্ৰহ কৰি আলফা আৰু এন এছ চি এনক যোগান ধৰাৰ লগতে সংগঠন দুটাৰ লগত নিয়মীয়াকৈ মোবাইলযোগে বাৰ্তালাপ কৰাৰ তথ্য অসম আৰক্ষীয়ে লাভ কৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০০

অসম বিজ্ঞান সমিতিৰ গৌৰীসাগৰ-দিখৌমুখ শাখাৰ উদ্যোগত কালি শাখাৰ মুখ্য কাৰ্যালয়ত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস আৰু অসম বিজ্ঞান দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। অনুষ্ঠানত জলবায়ু পৰিৱৰ্তন আৰু আমাৰ কৰণীয় শীৰ্ষক বিজ্ঞান দিৱসৰ মূল বিষয়ক লৈ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ ৰসায়নবিদ পল্লৱ কলিতাই বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে অসম বিজ্ঞান সমিতিৰ সমাগত ঢকুৱাখনা

অধিৱেশনৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা ভ্ৰমণৰ বাতৰিক প্ৰায়কেইখন কাকতে মুখ্য বাতৰিৰ স্থান দিছে। **প্ৰতিদিন কাকতে** ভাৰতক ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে পঞ্চম প্ৰজন্মৰ অত্যাধুনিক এফ-থাৰ্টি ফাইভ ষ্টেলন যুদ্ধ বিমান যোগান ধৰাৰ কথা এখন সংবাদ মেলত প্ৰকাশ কৰাৰ বাতৰিক **ভাৰতক এফ-থাৰ্টি ফাইভ যুদ্ধ বিমানসহ সামৰিক সৰঞ্জাম দিব আমেৰিকাই** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম কাকতে বন্ধুৰ পুনৰ্মিলন, মোদী-ট্ৰাম্পৰ মেগা বৈঠক, প্ৰতিৰক্ষাৰ পৰা প্ৰযুক্তিলৈ চুক্তি** শিৰোনামেৰে প্ৰকাশ কৰিছে।

সুদীৰ্ঘ ৮ মাহৰ পাছত অহা ১৯ মাৰ্চ তাৰিখে পৃথিৱীলৈ ঘূৰি আহিব লগীয়া সুনীতা উলিয়ামছ আৰু সতীৰ্থ বাট্‌ছ উইলমৰৰ এটা বাতৰিক **অসমীয়া খবৰ কাকতে সুদীৰ্ঘ ৮ মাহৰ পাছত পৃথিৱীলৈ উভতি আহিব সতীৰ্থসহ সুনীতা উলিয়ামছ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে চৰম প্ৰতিকূল বতৰৰ বাবে আটাইতকৈ ক্ষতিগ্ৰস্ত দেশসমূহৰ তালিকাত ভাৰত ষষ্ঠ স্থানত, যোৱা তিনি দশকত ভাৰতবৰ্ষত ৮০ হেজাৰ লোকৰ মৃত্যু হোৱাৰ লগতে ১ লাখ ৮০ মাৰ্কিন ডলাৰ মূল্যৰ সা-সম্পত্তি ধ্বংস হোৱাৰ এটা বাতৰিক **তিনি দশকত ৮০ হাজাৰ লোকৰ মৃত্যু** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজিৰ পৰা আৰম্ভ হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাতৰিক **দি আছাম ট্ৰিবিউন কাকতে** নিউজ কেপচুল হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি কাকতে** এডভাণ্টেজ আছাম ২.০ অনুষ্ঠিত কৰাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৯ কোটি টকাৰ ঋণ লোৱাৰ সিদ্ধান্তৰ এটা বাতৰিক **পুনৰ ৯০০ কোটি টকাৰ ঋণ ল'ব ৰাজ্য চৰকাৰে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ ভাৰতত প্ৰৱেশৰ ট্ৰাঞ্জিত পইণ্টলৈ পৰিণত হোৱাৰ এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে **মেঘালয়লৰে নতুন পথ উলিয়াই অনুপ্ৰৱেশকাৰীৰ সোঁত ঃ অসম হৈ পৰিছে ট্ৰেনজিত পইণ্ট** শিৰোনামেৰে প্ৰকাশ কৰিছে।

মহাকুম্ভলৈ গৈ গুৱাহাটীৰ তেতিলয়াৰ ৩৪ বছৰীয়া আনন্দজ্যোতি মহন্তই মৃত্যুক সাৱতি লোৱাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে **ঝাৰখণ্ডত ৰৈ থকা ট্ৰাকত ইন'ভাৰ খুন্দা, মহাকুম্ভ মেলালৈ গৈ মৃত্যুক সাৱটিলে জালুকবাৰীৰ যুৱকে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

উত্তৰাখণ্ডৰ হল্ড'ৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কালি সামৰণী পৰে। এই ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত তিনিটা সোণ, ১৫টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জসহ মুঠ ৩৪টা পদকেৰে অসম পদক তালিকাৰ ২৪ সংখ্যক স্থানত থাকে। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ছাৰ্ভিচেছে ৬৮টা সোণ, ২৬টা ৰূপ আৰু ২৭ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১২১ টা পদকেৰে শীৰ্ষ স্থান দখল কৰে। একেদৰে মহাৰাষ্ট্ৰই মুঠ ২০১ টা পদকেৰে দ্বিতীয় আৰু হাৰিয়ানাই মুঠ ১৫৩ টা পদকেৰে তৃতীয় স্থান লাভ কৰে।

৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ মেঘালয়ত অনুষ্ঠিত হ'ব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি উষাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণিৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পতাকা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক অৰ্পণ কৰে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছৰ আশো-পাশে হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰৰ ঠাইবিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত